**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-04-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**::::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। লোকসভা নিৰ্বাচন উপলক্ষে ৰাজ্যত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত। পাঞ্জাবৰ মুখ্যমন্ত্ৰী তথা আপৰ নেতা ভগৱন্ত মানৰ আজি নিজ দলৰ প্ৰাৰ্থীৰ হৈ ডিব্ৰুগড়ত প্ৰচাৰ সভাত অংশগ্ৰহণ।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধীকে ধৰি ৰাষ্ট্ৰীয় শীৰ্ষ নেতাৰ নিজ নিজ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰৰ উদ্দেশ্যে অহা সপ্তাহত অসম আগমণ।

৩। লোকসভা নিৰ্বাচন নিয়াৰিকৈ আৰু শান্তিপূৰ্ণ ৰূপত পৰিচালনাৰ বাবে জিলা প্ৰশাসনৰ ব্যৱস্থা গ্ৰহণ। সমান্তৰালভাৱে ভোটদাতাৰ মাজত সজাগতা সৃষ্টিৰ কাৰ্যসূচী।

৪। অহা ৭ মে'ত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে অধিসূচনা জাৰি। এই পৰ্যায়ত দেশৰ ১০ খন ৰাজ্য তথা দুটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৯৪টা লোকসভা সমষ্টিত নিৰ্বাচন।

৫। অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহুৰ আজি উৰুকা। বিহুৰ বতৰত ৰাজ্যজুৰি উখল-মাখল পৰিৱেশ।

*আৰু*

৬। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ দেলহি কেপিটেলছৰ মুখামুখি।

০০০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনলৈ মাজত মাথোঁ কেইটামান দিন বাকী থকা অৱস্থাত ৰাজ্যত তাৰকা প্ৰচাৰকৰ উপস্থিতিত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ তুংগত উঠিছে। অহা সপ্তাহত ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে নলবাৰীত এখন জনসভাত অংশ ল'ব বুলি জানিব পৰা গৈছে। ইপিনে আজি দুদিনীয়া কাৰ্যসূচীৰে পাঞ্জাবৰ মুখ্যমন্ত্ৰী তথা আপৰ নেতা ভগৱন্ত মানে ডিব্ৰুগড় সমষ্টিত দলীয় প্ৰাৰ্থী মনোজ ধনোৱাৰৰ হৈ তিনিচুকীয়া জিলাৰ টিংৰাইত নিৰ্বাচনী সমাৰেশত অংশ ল'ব। কাইলৈ নেতাগৰাকীয়ে শোণিতপুৰ সমষ্টিত দলীয় প্ৰাৰ্থী ঋষিৰাজ কৌন্দিন্যৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব।

আনহাতে, কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়ে অহা সপ্তাহত যোৰহাট আৰু ডিব্ৰুগড়ৰ কংগ্ৰেছ তথা সন্মিলিত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। একেদৰে কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়েও ৰাজ্যখনত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ কাৰ্যসূচীত অংশ ল'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাট সমষ্টিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। মুখ্যমন্ত্ৰীগৰাকীয়ে যোৰহাট নগৰৰ মাজেৰে দলৰ সদস্যসকলৰ সৈতে পদযাত্ৰা কৰিব বুলি জানিব পৰা গৈছে। ড° শৰ্মাই কালি ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হৈ মাৰ্ঘেৰিটাৰ বৰগোলাই খেলপথাৰত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে নাহৰকটীয়া, দুলীয়াজান আৰু

খোৱাঙৰ জনসভাতো অংশ লয়। সন্ধিয়া তেওঁ যোৰহাটৰ তিতাবৰত শ্ৰীমন্ত শংকৰদেৱ সংঘ নামঘৰত সেৱা আগবঢ়াই ৰাজ্যবাসীৰ কুশল কামনা কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মাজুলীত যোৰহাট লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। শ্ৰীসোণোৱালে জিলাখনৰ ফুলনি, আহতগুৰি আৰু উত্তৰ কমলাবাৰী সত্ৰৰ সাংস্কৃতিক প্ৰেক্ষাগৃহত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব।

০০০০০০০

লোকসভা নিৰ্বাচন নিয়াৰিকৈ আৰু শান্তিপূৰ্ণ ৰূপত পৰিচালনাৰ বাবে জিলা প্ৰশাসনসমূহে প্ৰশাসনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ সমান্তৰালভাৱে ভোটদাতাৰ মাজত সজাগতা সৃষ্টিৰ বাবেও ভালেমান কাৰ্যসূচী লৈছে। চৰাইদেউ নিৰ্বাচনী জিলাৰ প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কোষৰ উদ্যোগত প্ৰতিটো গেছ এজেন্সীৰ জৰিয়তে নিৰ্বাচন সন্দৰ্ভত ব্যাপক সজাগতামূলক অভিযান অব্যাহত ৰখা হৈছে। জিলা আয়ুক্ত আৰু অতিৰিক্ত আয়ুক্তৰ নেতৃত্বত চলা এই প্ৰচাৰ কাৰ্যসূচী অনুসৰি এজেন্সীসমূহত মজুত থকা প্ৰতিটো চিলিণ্ডাৰত আসন্ন নিৰ্বাচন বিষয়ক তথ্য সম্বলিত প্ৰচাৰ পত্ৰ লগাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। ১৯ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত ভোটাৰ ৰাইজৰ অংশগ্ৰহণ সুনিশ্চিত কৰিবলৈ শিৱসাগৰ জিলাৰ দিচাংমুখত জিলাখনৰ নিৰ্বাচনী বিষয়াৰ উদ্যোগত ভোটাৰ সজাগতা কাৰ্যসূচী হাতত লোৱা হয়। এই সজাগতা সভাত জনপ্ৰিয় অভিনেতাৰ উপস্থিতিৰ লগতে শতাধিক ৰাইজে অংশগ্ৰহণ কৰে।

দ্বিতীয় পৰ্যায়ত দৰং-ওদালগুৰি লোকসভা সমষ্টিত হ'বলগীয়া নিৰ্বাচনৰ বাবে দৰং জিলাৰ মুঠ ৮৩৫টা ভোটগ্ৰহণ কেন্দ্ৰ সাজু কৰি তোলাৰ বাবে যাৱতীয় প্ৰস্তুতি চলোৱা হৈছে। নিৰাপত্তাৰ দিশৰ পৰা ১৬৯টা ভোটগ্ৰহণ কেন্দ্ৰ স্পৰ্শকাতৰ বুলি চিনাক্ত কৰি সুৰক্ষাৰ দিশটোত বিশেষ গুৰুত্ব দিয়া হ'ব। আনহাতে, ৪৬১টা ভোটগ্ৰহণ কেন্দ্ৰত ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। তদুপৰি, ভেবাৰঘাট প্ৰাথমিক বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰটো কেৱল দিব্যাংগ বিষয়াৰ দ্বাৰা পৰিচালনা কৰা হ'ব। জিলাখনৰ ৬টা ভোটকেন্দ্ৰ আদৰ্শ ভোটকেন্দ্ৰ হিচাপে পৰিচালনা কৰাৰ বিপৰীতে ৩০টা ভোটকেন্দ্ৰ কেৱল মহিলাৰ দ্বাৰা আৰু ২১টা ভোটকেন্দ্ৰ যুৱ বিষয়াৰ দ্বাৰা পৰিচালনা কৰা হ'ব।

ইফালে ওদালগুৰি জিলাৰ চাহ বাগিচাৰ ২০ হাজাৰ কৰ্মীয়ে কালি নিৰ্বাচনী সজাগতাৰ অংশহিচাপে সংকল্প গ্ৰহণ কৰে। তেওঁলোকে নৈতিক ভোটদানৰ বাবে এই সংকল্প লয়।

দ্বিতীয় পৰ্যায়ত হ'বলগীয়া নগাঁও লোকসভা সমষ্টিৰ অধীনৰ মৰিগাঁও নিৰ্বাচনী জিলাত বাসগৃহৰপৰা ভোটদান কৰিবলগীয়া ভোটদাতাসকলৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণ প্ৰক্ৰিয়া অহা ১৭ এপ্ৰিলত আৰম্ভ হ'ব। জিলাখনৰ মুঠ ৫৪৫ গৰাকী বিশেষভাৱে আৰু ৮৫ বছৰ উৰ্ধৰ ভোটদাতাই ঘৰতে ভোটদান কৰিব পাৰিব।

০০০০০০০

বিৰোধী ঐক্য মঞ্চৰ সমৰ্থিত কংগ্ৰেছ দলৰ যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী গৌৰৱ গগৈক আসন্ন নিৰ্বাচনত ২৪টা দল-সংগঠনে পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ সিদ্ধান্ত লৈছে। শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈৰ নেতৃত্বত শিৱসাগৰৰ জাতীয় জনগোষ্ঠীয় দল-সংগঠনৰ সৈতে কালি হোৱা এখন বৈঠকৰ পাছত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত ৰাজনৈতিক দলৰূপে চি পি আই, অসম জাতীয় পৰিষদ আদিৰ লগতে অসমীয়া যুৱ মঞ্চ, অসম ছাত্ৰ যুৱ সন্মিলনী, সংগ্ৰামী সেনা অসম, জাগৃতি মহিলা সমিতি আদিৰ প্ৰতিনিধি উপস্থিত আছিল।

০০০০০০০

অহা ৭ মে'ত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে অধিসূচনা জাৰি কৰা হৈছে। এই পৰ্যায়ত দেশৰ ১০ খন ৰাজ্য তথা দুটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৯৪টা লোকসভা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। তৃতীয় পৰ্যায়ত অসমৰ লগতে পশ্চিমবংগৰ ৪ খনকৈ, গুজৰাটৰ ২৬, কৰ্ণাটকৰ ১৪, মহাৰাষ্ট্ৰৰ ১১, উত্তৰ প্ৰদেশৰ ১০, মধ্যপ্ৰদেশৰ ৮, ছত্তিশগড়ৰ ৭, বিহাৰৰ ৫, গোৱা আৰু দাদৰা আৰু নগৰহাৱেলি তথা দমন আৰু ডিউৰ দুখনকৈ আৰু জম্মু-কাশ্মীৰত এখন আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। অসমত এই পৰ্যায়ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ১৯ এপ্ৰিললৈ মনোনয়ন দাখিল প্ৰক্ৰিয়া অব্যাহত থাকিব। আনহাতে, ২২ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

০০০০০০০

দেশৰ নিৰ্বাচন আয়োগে নিৰ্বাচন স্বচ্ছ, মুক্ত আৰু নিকাকৈ পৰিচালনাৰ বাবে জনসাধাৰণক নিৰ্বাচনী প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰোৱাৰ লক্ষ্যৰে এইবাৰ বিশেষভাৱে তথ্য প্ৰযুক্তিৰ ব্যৱহাৰ কৰিছে। আয়োগে **চি ভিজিল, সুবিধা, সক্ষম ই চি আই আৰু এন জি এছ পি** এপৰ সহায়ত এই ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্বাচন আয়োগৰ চি ভিজিল অৰ্থাৎ ভিজিলেণ্ট ছিটিজেন শীৰ্ষক এপ্লিকেচনৰ সহায়ত জনসাধাৰণে নিজৰ মোবাইলত সহজে নিৰ্বাচনী আচৰণ বিধি উলংঘা সম্পৰ্কীয় ঘটনাৰ তথ্য, দৃশ্য বা শ্ৰব্যৰূপতো আয়োগক প্ৰদান কৰিব পাৰে।

ইপিনে, নিৰ্বাচনী সভা আৰু প্ৰচাৰৰ বাবে অনুমতি বিচৰাত সহায় হোৱাকৈ **সুবিধা** নামৰ এপ মুকলি কৰা হৈছে। সক্ষম ই চি আই এপৰ সহায়ত বিশেষভাৱে সক্ষম ভোটদাতাসকলে ভোটদান কৰিবলৈ বিভিন্ন সেৱা লাভৰ বাবে এই এপ ব্যৱহাৰ কৰি আবেদন কৰিব পাৰে। নিৰ্বাচন সম্পৰ্কীয় নাইবা অন্য অভিযোগৰ বাবে নাগৰিকসকলে এন জি এছ পি এপ ব্যৱহাৰ কৰিব পাৰে।

০০০০০০০

অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহুৰ আজি উৰুকা। বিহুৰ বতৰত ৰাজ্যজুৰি উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। ৰাজ্যখনৰ জনসাধাৰণে কাইলৈ গো-ধনৰ শ্ৰীবৃদ্ধি কামনাৰে গৰু বিহু পালন কৰিব। পৰহিলৈ অসমীয়া নৱবৰ্ষৰ প্ৰথমটো দিনত হেঁপাহৰ বিহুৱান লৈ বছৰটোৰ বাবে ৰাজ্যবাসীয়ে পৰস্পৰৰ কুশল কামনা কৰিব। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিহু উপলক্ষে উৎসৱ মুখৰ পৰিৱেশ সৃষ্টি হোৱাৰ লগতে জনসাধাৰণ অসমীয়া নৱবৰ্ষক পৰম্পৰাগত ৰীতি-নীতিৰে আদৰিবলৈ সাজু হৈছে। গাঁৱে-ভূঞে, চহৰে-নগৰে ৰঙালী বিহুক লৈ উৎসাহ-উদ্দীপনাৰ পৰিবেশে বিৰাজ কৰিছে। ইফালে বিহুৰ বতৰতে অসমৰ গামোচাৰ চাহিদা যথেষ্ট বৃদ্ধি পাইছে। গুৱাহাটী মহানগৰীৰ প্ৰান্তে প্ৰান্তে গামোচাৰ বিপণী মুকলি কৰা হৈছে। আৰ্টফেডে গুৱাহাটীৰ আমবাৰীত স্থাপন কৰা গামোচাৰ বিপণীয়ে বিক্ৰীৰ ক্ষেত্ৰত অভিলেখ ৰচিবলৈ সমৰ্থ হৈছে। বিভাগীয় সূত্ৰই প্ৰকাশ কৰা মতে ১ এপ্ৰিলৰ পৰা আমবাৰীৰ বিপণীত প্ৰতিদিনে লক্ষাধিক টকাৰ গামোচাৰ বিক্ৰী হৈছে।

ব'হাগক আদৰিবলৈ আন বছৰৰ দৰে এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই কাইলৈ জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে। কাইলৈ পুৱা বিশিষ্ট সংগীতজ্ঞ প্ৰশান্ত বৰদলৈয়ে বিহুৰ পতাকা উত্তোলনেৰ অনুষ্ঠানৰ শুভাৰম্ভ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনৰ কেইবাটাও প্ৰখ্যাত বিহু হুঁচৰি দলে অংশগ্ৰহণ কৰিব। লগতে অসমৰ সমাজ জীৱনলৈ প্ৰভূত বৰঙণি আগবঢ়োৱা কেইবাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হ'ব।

গুৱাহাটীৰ বেলতলা ব'হাগী উৎসৱ সমিতিয়ে অহা ১৯ এপ্ৰিলৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে বেলতলা বিদ্যালয় খেলপথাৰত ৪৫ সংখ্যক ব'হাগী উৎসৱৰ আয়োজন কৰিছে। উল্লেখযোগ্য যে, ২০১২ চনৰ পৰা এই বিহু উদযাপন সমিতিয়ে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ নামত এটি বঁটা প্ৰদান কৰি আহিছে। অসমৰ সাহিত্য

আৰু সাংস্কৃতিক জগতৰ পুৰোধা ব্যক্তিসকলক এই বঁটা প্ৰদান কৰা হ'ব। এই বছৰ সমিতিখনে এই বঁটাটি ভাৰতীয় বোলছবি জগতৰ যশস্বী অভিনেতা জৰ্জ বেকাৰক প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অহা ২১ এপ্ৰিলত প্ৰদান কৰিবলগীয়া এই বঁটাত আছে ২ লাখ টকা, মানপত্ৰ, স্মাৰক আৰু এখনি বিহুৱান।

মঙলদৈৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনীৰ উদ্যোগত কাইলৈৰ পৰা ৫ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে এক বিশেষ প্ৰদৰ্শণী আৰু অন্যান্য অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

আনফালে ৰাজ্যৰ বিভিন্ন জিলাৰ কেইবাখনো জিলা প্ৰশাসন অথবা আন আন সংস্থাৰ উদ্যোগত ব'হাগী মেলা অনুষ্ঠিত হৈছে। এই মেলাসমূহত ক্ষুদ্ৰ উদ্যোগী তথা মহিলা আত্মসহায়ক গোটসমূহে যথেষ্ট উৎসাহেৰে অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

০০০০০০০

লখিমপুৰ জিলাৰ পানীগাঁও আৰক্ষী থানাৰ অন্তৰ্গত ৰঙানদীত কালি দুজন কিশোৰ গা ধুবলৈ গৈ সন্ধানহীন হয়। পাছত ঘটনাস্থলীত ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ লোক উপস্থিত হৈ কিশোৰ দুজনৰ মৃতদেহ উদ্ধাৰ কৰে। মৃত্যু হোৱা কিশোৰ দুজন নৰাগাঁৱৰ মৃন্ময় দত্ত আৰু জয়দীপ হাজৰিকা বুলি চিনাক্ত কৰা হৈছে।

০০০০০০০

যোৰহাট জিলা ৰেডক্ৰছ ছ'চাইটিৰ সৌজন্যত জিলাখনৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ৰচনাৰ বিষয় **মানৱ সেৱাত আন্তঃৰাষ্ট্ৰীয় ৰেডক্ৰছ সংস্থাৰ ভূমিকা**। প্ৰতিযোগিসকলে পৰিষ্কাৰ কাগজত ২০০ৰ পৰা ৩০০ শব্দৰ ভিতৰত লিখি ৩০ এপ্ৰিলৰ ভিতৰত ৱাটছ-এপ আৰু ই-মেইল যোগে পঠাব পাৰিব। এই প্ৰতিযোগিতাত অষ্টমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব পাৰিব। অধিক তথ্যৰ প্ৰতিযোগীসকলে ৮৭৭৬৮৯৬৫৫৩ আৰু ৭০০২৯৪৮৭২৯ নম্বৰত যোগাযোগ কৰিব পাৰিব।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্‌ দেলহি কেপিটেলছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

মুম্বাই ইণ্ডিয়ানছে যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৭ উইকেটত পৰাস্ত কৰি এইবাৰৰ প্ৰতিযোগিতাত দ্বিতীয় বিজয় সাব্যস্ত কৰে। মুম্বাই ইণ্ডিয়ানছে ১৯৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৫ অ'ভাৰ আৰু ৩টা বলত ৩ উইকেটৰ বিনিময়ত ১৯৯ ৰান কৰে। মুম্বাইৰ হৈ সূৰ্যকুমাৰ যাদৱে ১৯টা বলত ৫২ ৰান কৰাৰ বিপৰীতে ঈশান কিষাণে ৬৯ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৮ উইকেটৰ বিনিময়ত ১৯৬ ৰান কৰে। বেংগালুৰুৰ হৈ অধিনায়ক ডু প্লেচিছে সৰ্বাধিক ৬১ ৰান কৰে। ৰজত পাটিদাৰে ৫০ আৰু দীনেশ কাৰ্তিকে ৫৩ ৰানৰ বৰঙণি আগবঢ়ায়। মুম্বাইৰ যশপ্ৰীত বুমৰাহে ৫টা উইকেট দখল কৰে। যশপ্ৰীত বুমৰাহক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। মুম্বাই ইণ্ডিয়ানছে বৰ্তমানলৈ খেলা ৫খন খেলৰ দুখনত জয়লাভ কৰি ৪ পইণ্টেৰে প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ সপ্তম স্থানত আছে। আনহাতে, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুই ৬ খন খেলৰ ভিতৰত এখন খেলত জয়লাভ কৰি নৱম স্থানত আছে।

০০০০০০০

<u>Newspaper Review (12-4-2024 Morn.)</u>

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত বিভিন্ন বাতৰি প্ৰকাশ কৰিছে। ফ'ৰ্বছ ইণ্ডিয়াৰ সমীক্ষা অনুসৰি ভাৰত বিশ্বৰ বৃহত্তম অৰ্থনীতিৰ পঞ্চম স্থানত চিহ্নিত হৈছে বুলি **নিয়মীয়া বাৰ্তা** কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

**আমাৰ অসম** কাকতে বিশ্বৰ শৈক্ষিক জৰিপকাৰী সংস্থা কোৱেকাৰলি ছাইমণ্ডৰ ২০২৪ বৰ্ষৰ ৱাৰ্ড ইউনিভাৰছিটি ৰেংকিঙত  আই আই টি গুৱাহাটী উজলি উঠিছে বুলি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যজুৰি ঈদ-উল-ফিটৰ পালন ঃ নামাজত অংশ ল'লে নিৰ্বাচনৰ ভালেমান প্ৰাৰ্থী, ৰাজনৈতিক নেতাই শিৰোনামেৰে **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিত স্থান দিছে। দ্যা আছাম ট্ৰিবিউন কাকততো ঈদ উদযাপনৰ বাতৰিয়ে প্ৰথম পৃষ্ঠাত স্থান দখল কৰিছে। দি ছেণ্টিনেল কাকত অসম আৰু ঝাৰখণ্ডত নিয়াৰ অভিযানৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

সমাগত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ উদ্দেশ্যে আজি পঞ্জাবৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ নেতা ভগৱন্ত মান অসমলৈ আহিব বুলি **দৈনিক অসম, আমাৰ অসম** আৰু **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ভাৰতীয় ছবিজগতৰ যশস্বী অভিনেতা তথা অসমীয়া ছবি জগতৰ চিনাকি নাম জৰ্জ বেকাৰলৈ বেলতলা বিহু সমিতিয়ে ২০২৪ বৰ্ষৰ ভূপেন হাজৰিকা বঁটা আগবঢ়োৱা বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে স্থান দিছে।

মোদী-হিমন্ত বিশ্ব থকালৈকে বাংলাদেশৰ পৰা চৰাই এটাও সোমাব নোৱাৰে বুলি মুখ্যমন্ত্ৰীয়ে কৰা এটা মন্তব্যই অসমীয়া **প্ৰতিদিন কাকতৰ** প্ৰথম পৃষ্ঠাৰ এটা বাতৰিৰ শিৰোনাম দখল কৰিছে।

নিৰ্বাচনী ধামখুমীয়াৰ মাজতে ৰঙালী বিহু শীৰ্ষক এটি বাতৰি আজি **দৈনিক অগ্ৰদূত** কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ কাইছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

0000000

**সমাপ্ত**